স্মৃতিচাৰণ

প্ৰতিদিন সেৱা, হাজো, ২৪ মে' : হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত সাতডলাৰ নাগাৰা নামৰ কুশল পাঠকৰ স্মৃতিচাৰণ আৰু শ্ৰদ্ধাঞ্জলি কালি সন্ধিয়া। সাত বজাত তেওঁৰ নিজা ৰাসভৱনত অনুষ্ঠিত হয়। হাজো আঞ্চলিক নাগাৰা নাম সংঘৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত সন্ধিয়া বন্তি প্ৰজ্বলন কৰে উক্ত পৰিয়ালবৰ্গই। ইয়াৰ পিচতে পাঠকৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে তেওঁৰ সদৌ অসম নাগাৰা নাম সংঘৰ সভাপতি ৰামচৰণ ভৰালীয়ে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে হাজো মণিকূট সাহিত্য সমাজৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতীয়ে। সদৌ অসম নাগাৰা নাম সংঘৰ সহকাৰী সম্পাদক ৰবীন কলিতাই থাপি ধৰা স্মৃতিচাৰণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত তেওঁৰ শিষ্য নাগাৰা নামৰ পাঠক ৰামচৰণ ভৰালীয়ে স্মৃতিচাৰণ কৰি তেওঁৰ আদৰ্শ আৰু জীৱন-কৃতিৰ ওপৰত আলোকপাত কৰে। তদুপৰি কামৰূপ জিলা সাহিত্য সভাৰ সম্পাদক ৰাজেন মহন্ত, হাজো মণিকূট সাহিত্য সমাজৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতী, সদৌ অসম নাগাৰা নাম সংঘৰ সম্পাদক দ্বয় মহেশ ডেকা, অৰবিন্দ কুমাৰ, হাজো আঞ্চলিক নাগাৰা নাম সংঘৰ সভাপতি বিনয় ডেকা, সম্পাদক যোগেন দাস, সদস্য অচ্যুত কলিতা, ৰমেশ, ভৱ ঠাকুৰীয়াই কুশল পাঠকৰ স্মৃতিচাৰণ কৰি কৰ্মজীৱনৰ আলোকপাত কৰে। নিশালৈ ৰামচৰণ ভৰালী, বিনয় ডেকা আৰু ভণিতা ৰক্ষকাই নাগাৰা নাম পৰিবেশন কৰি তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। অনুষ্ঠানত হাজো আঞ্চুৰ সভাপতি নৱজ্যোতি দাস আৰু বিষয়ববীয়াসকল উপস্থিত থাকে।

মৈৰাবাৰী থানাৰ উপ-পৰিদৰ্শক মুছফিক আলীৰ নিৰ্লজ্জ কাণ্ড

জামিনৰ নামত ১ লাখ টকা উৎকোচ বিচাৰি অভিযুক্তক হাৰাশাস্তি

প্ৰতিদিন বিশেষ সংবাদ, মৈৰাবাৰী, ২৪ মে' : মৰিগাঁও জিলাৰ মৈৰাবাৰী থানাৰ উপ-পৰিদৰ্শক মুছফিক আলীৰ মুখা খুলিলে এজন ভুক্তভোগীয়ে। এটা গোচৰৰ অভিযুক্তক জামিনৰ সুবিধা কৰি দিম বুলি ১ লাখ টকা উৎকোচ বিচাৰি হাৰাশাস্তি কৰাৰ দৰে এক নিৰ্লজ্জ ঘটনা ফাদিল কৰিলে ভুক্তভোগীয়ে। ভুক্তভোগীৰ ম'বাইলত মুছফিক আলীৰ ফোন টেপিং আৰু উৎকোচ গ্ৰহণৰ ভি ডি অ' ৰেকৰ্ডিং আবদ্ধ হোৱাৰ পাচত সম্প্ৰতি অডিঅ' আৰু ভিডিঅ' ভাইৰেল হৈ পৰিছে। ঘটনাৰ বিৱৰণী মতে মৈৰাবাৰীৰ ইব্ৰাহিম আলী নামৰ যুৱকজনে তামিলনাডুত শ্ৰমিক হিচাপে বিভিন্ন উদ্যোগত কাম কৰি অৱশেষত নিজাকৈ ব্যৱসায় কৰি চলি আছিল। আজি কিছুদিনৰ আগতে মৈৰাবাৰী থানাত ইব্ৰাহিমৰ বিৰুদ্ধে এটি অভিযোগৰ ভিত্তিত এটা গোচৰ পঞ্জীয়ন হৈছিল। উক্ত গোচৰত অভিযুক্ত ইব্ৰাহিমক বিভিন্ন সময়ত ফোনযোগে এছ আই মুছফিক আলীয়ে ধমকি দিবলৈ আৰম্ভ কৰাত ইব্ৰাহিমৰ পত্নী আমিনা খাতুনে অভিযোগ সন্দৰ্ভত জানিবৰ বাবে মৈৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনক লগ কৰাত গোচৰটো এছ আই মুছফিক আলীয়ে চাই থকা বুলি কৈ তেওঁৰ সৈতে কথা পাতিবলৈ দিয়ে। যোৱা ৫ মে'ত মুছফিক আলীৰ ওচৰলৈ যোৱাত এছ আই মুছফিকে আমিনাক সন্মুখত ৰাখি তেওঁৰ স্বামী ইব্ৰাহিমলৈ ফোন কৰি এক লাখ টকা দাবী কৰে। পুনৰ ইব্ৰাহিমক ফোন কৰি ভীতি প্ৰদৰ্শন কৰি থকাত উপায়হীন হৈ আমিনাই মুছফিকৰ হাতত ৮ মে'ত ১৫ হেজাৰ টকা উৎকোচ হিচাপে দিয়েহি মৈৰাবাৰী থানাত। ইয়াৰ পাচত ১১ মে'ত ইব্ৰাহিমে মৰিগাঁও আদালতৰ পৰা অগ্ৰিম জামিন লাভ কৰে। ইয়াৰ পাচতো উৎকোচৰ বাকী টকা বিচাৰি মুছফিকে মানসিক নিৰ্যাতন চলায়। টকা নিদিলে ইব্ৰাহিমৰ নামত পঞ্জীয়ন হৈ থকা ১১৭/১৮ নম্বৰ গোচৰটোৰ বাহিৰেও আন অভিযোগত জে'ললৈ পঠোৱাৰ ভাবুকি দিয়ে। সকলো ফোনকল আৰু উৎকোচ গ্ৰহণৰ অডিঅ' ভি ডি অ' ফাদিল কৰি ইব্ৰাহিমে আইনী যুঁজৰ বাবে সাজু হোৱাৰ পাচত এতিয়া দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ কথা কোৱা মুখ্যমন্ত্ৰী সোণোৱালৰ গৃহ বিভাগে মুছফিকৰ বিৰুদ্ধে কি ব্যৱস্থা লয় সেয়া লক্ষণীয় হ'ব।

জটিল ৰোগত আক্ৰান্ত পালেপাৰাৰ মেধাৱী ছাত্ৰ

চিকিৎসাৰ বাবে সহায় ভিক্ষা দৰিদ্ৰ পিতৃ-মাতৃৰ

প্ৰতিদিন সেৱা, ডিমু, ২৪ মে' : অলেখ সপোন বুকুত বান্ধি লৈযোনে থাকি হ'লেও নিজৰ সন্তানক মানুহ কৰিব বিচৰা বজিয়া মহকুমাৰ কণৰা ৰাজহ চক্ৰৰ অন্তৰ্গত পালেপাৰা গাঁৱৰ দৰিদ্ৰ পৰিয়াল এটিলৈ সম্প্ৰতি নামি আহিছে ঘোৰ অমানিশা। উল্লেখযোগ্য যে পালেপাৰা গাঁৱৰ দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বসবাস কৰা বসন্ত কলিতা আৰু পত্নী প্ৰতিভা কলিতাই কনিষ্ঠ পুত্ৰ মানসজ্যোতি কলিতাক ডাঙৰ কৰাত বহু কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিবলগা হৈছিল। শৈশৱৰে পৰা অতি তীক্ষ্ণ বুদ্ধিৰ মানসজ্যোতি কলিতাই উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হৈ বজিয়া মহাবিদ্যালয়ৰ বাণিজ্য শাখাত স্নাতক ষষ্ঠ যাণ্মাসিকত শিক্ষা গ্ৰহণ কৰি আছে। দুৰ্ভাগ্যৰ বিষয় যে এইগৰাকী মেধাসম্পন্ন ছাত্ৰ এবছৰ পূৰ্বে ব্ৰেইন টিউমাৰজনিত জটিল ৰোগত আক্ৰান্ত হয়। দুখীয়া পৰিয়ালটোৱে সামৰ্থ্য অনুযায়ী মানসজ্যোতিৰ চিকিৎসা কৰায় যদিও সম্প্ৰতি পৰিয়ালটো অৰ্থশূন্য হৈ পৰিছে। পেছাত এগৰাকী খেতিয়ক হিচাপে বসন্ত কলিতাই নিজ উপাৰ্জিত ধনৰ লগতে আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱৰ পৰা সহায় লৈ পুত্ৰৰ চিকিৎসা কৰোৱাৰ পিচত সম্প্ৰতি তেওঁৰ উন্নত চিকিৎসাৰ বাবে বহু টকাৰ প্ৰয়োজন হৈছে। খেতিৰ মাটি, হালৰ গৰু সকলো বিক্ৰী কৰি পোৱা টকাৰ সৈতে পত্নীৰ হাতৰ-গলৰ অলংকাৰ বিক্ৰী কৰি পোৱা সমুদায় ধন পুত্ৰৰ চিকিৎসাৰ নামত ব্যয় হোৱাৰ পিচত আৰু অধিক ধনৰ প্ৰয়োজন হোৱাত হাহাকাৰ লাগিছে দুখীয়া পৰিয়ালটোত। চিকিৎসকে জনোৱামতে মানসজ্যোতিৰ বাবে চেন্নাই এপল' হাস্পতালত এটি ব্যয়বহুল অ'পাৰেচনৰ প্ৰয়োজন। এফালে ধন নাই, আনফালে পুত্ৰৰ আৰোগ্য বিচাৰি দুৱাৰে দুৱাৰে ঘূৰিবলগা হোৱা দুখীয়া পৰিয়ালটোৱে উপায়ান্তৰ হৈ অসমবাসী, স্থানীয় হাজো সমষ্টিৰ বিধায়িকা আৰু ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ ওচৰত সহায় ভিক্ষা বিচাৰিছে। কোনো সুহৃদ ব্যক্তি নাইবা দল-সংগঠনে কিছু পৰিমাণে হ'লেও সহায় কৰি মানসজ্যোতি কলিতাৰ উন্নত চিকিৎসা কৰোৱাত অৰিহণা যোগোৱাৰ লগতে দুখীয়া পৰিয়ালটোক সকাহ দিব বুলি আশা কৰিছে পিতৃ বসন্ত কলিতাই। এইক্ষেত্ৰত চেণ্ট্ৰেল বেংক বাহাৰঘাট শাখাৰ একাউণ্ট নম্বৰ ২৩২৮৮৯৬২৮৩ আই এফ এছ চি নম্বৰ চি বি আই ২৮৭৭২৯ত সদাশয় লোকে ধন জমা দিয়াৰ লগতে ৯৯৫৭৯১৬২১৬ নাইবা ৯৭০৬৪০৩২৭৫ নম্বৰ ম'বাইলত যোগাযোগৰ অনুৰোধ জনাইছে মানসজ্যোতিৰ পিতৃয়ে।

নাগৰিকত্ব সংশোধনী বিধেয়ক বাতিলৰ দাবী

শিঙৰীত ঐক্যমঞ্চৰ গণস্বাক্ষৰ অভিযান

প্ৰতিদিন বিশেষ সেৱা, ঢেকীয়াজুলি, ২৪ মে' : নাগৰিকত্ব আইন সংশোধনী বিধেয়ক বাতিল কৰাৰ দাবীত বৃহত্তৰ শিঙৰী অসমীয়া ঐক্যমঞ্চই আজি বৰছলা সমষ্টিৰ শিঙৰীত গণস্বাক্ষৰ অভিযান আৰম্ভ কৰে। আজি পুৱা শিঙৰী তিনিআলিত বৃহত্তৰ শিঙৰী ঐক্যমঞ্চৰ উদ্যোগত আয়োজিত গণস্বাক্ষৰ কাৰ্যসূচীত স্থানীয় সমাজকৰ্মী তথা ঐক্যমঞ্চৰ সভাপতি ললিত কুমাৰ গগৈয়ে প্ৰথমে স্বাক্ষৰপত্ৰত স্বাক্ষৰ প্ৰদান কৰে। পৰৱৰ্তী পৰ্যায়ত এই কাৰ্যসূচীত পাঁচ শতাধিক লোকে স্বাক্ষৰ প্ৰদান কৰে। ঐক্যমঞ্চৰ সম্পাদক অঞ্জন দাস আৰু বকুল দাসে জানিবলৈ দিয়া মতে ঐক্যমঞ্চই বৃহত্তৰ শিঙৰী অঞ্চলৰ বিভিন্ন গাঁৱলৈ গৈ বাইজৰ স্বাক্ষৰ সংগ্ৰহ কৰিব।

বড়মপুৰ তিনিআলি বৰনামঘৰত অখণ্ড ভাগৱত পাঠ

প্ৰতিদিন সেৱা, বড়মপুৰ, ২৪ মে' : নগাঁও জিলাৰ বৃহত্তৰ বড়মপুৰ অঞ্চলৰ অন্যতম ধৰ্মীয় অনুষ্ঠান বড়মপুৰ তিনিআলি বৰনামঘৰত ১ নং বামুণীয়া গোটৰ বাইজ আৰু আইমাতৃসকলৰ ব্যৱস্থাপনাত আৰু সমূহ ভক্তিপ্ৰাণ বাইজৰ সহযোগত আজিৰে পৰা তিনিদিনীয়াকৈ নৰ্দান ধৰ্মীয় কাৰ্যসূচীৰে অসমবাসীৰ মংগলাৰ্থে আৰু সমাজৰ আধ্যাত্মিক সজাগতাৰ মানসেৰে অখণ্ড ভাগৱত পাঠ মহোৎসৱৰ আয়োজন কৰিছে। এই ভাগৱত পাঠ উপলক্ষে আজি প্ৰথম দিনা পুৱা উষা কীৰ্তন, আইসকলৰ দ্বাৰা জলাৰোহণৰ পিচতে বড়মপুৰ তিনিআলি অঞ্চলৰ অগণন ভক্তিপ্ৰাণ লোকৰ অংশগ্ৰহণেৰে হৰিনাম লৈ ভাগৱত ভ্ৰমণ কৰা হয়। পুৱা ৯ বজাত ভাগৱত পাঠৰ ধৰ্মধ্বজা উত্তোলন কৰে অঞ্চলটোৰ ভকত তথা নামাচাৰ্য অনন্ত শৰ্মাই। লগতে নাম-প্ৰসংগ, ভাগৱত প্ৰদক্ষিণ আৰু স্থাপন, ভাগৱতৰ অক্ষয়বন্তি প্ৰজ্বলন কৰি অখণ্ড ভাগৱত পাঠৰ শুভাৰম্ভ কৰে পুৰণিগুদাম লেটুগাঁও সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীকৃষ্ণ শৰ্মাই। নিয়লি নামঘৰ প্ৰাংগণত বন্তি প্ৰজ্বলন কৰে লিলি কলিতা আৰু ৰতমাই শৰ্মাই। কাইলৈ অবিৰত ভাগৱত পাঠ। ২৬ মে'ৰ নিয়লি ভাগৱত পাঠৰ সমাপ্তি, নাম-প্ৰসংগ আৰু লগতে ভকত বিদায় আদি কাৰ্যসূচীও থাকিব বুলি ভাগৱত পাঠ পৰিচালনা সমিতিৰ সম্পাদক লোচন বৰা আৰু সভাপতি কৃষ্ণকান্ত শৰ্মাই জানিবলৈ দিছে।

এল পি জি বিতৰকৰ নিযুক্তিৰ বাবে জাননী

ইণ্ডিয়ানঅইল IndianOil | Assam Oil | Bharat Petroleum | HP

ইণ্ডিয়ান অইল কৰ্পৰেচন লিমিটেড (আইঅচিএল), ভাৰত পেট্ৰ'লিয়াম কৰ্পৰেচন লিমিটেড (বিপিচিএল) আৰু হিন্দুস্থান পেট্ৰ'লিয়াম কৰ্পৰেচন লিমিটেড (এইচপিচিএল)য়ে অসম ৰাজ্যত তলত উল্লেখ কৰা ধৰণে বিভিন্ন শ্ৰেণীৰ অন্তৰ্গত প্ৰাৰ্থীৰ মাজৰ পৰা নিৰ্দিষ্ট কৰা স্থানত বিভিন্ন শ্ৰেণীৰ অধীনত এলপিজি বিতৰক নিযুক্তিৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছে :

ক্ৰ. নং.	তেল কোম্পানী	স্থান (য'ত প্ৰযোজ্য তাৰ স্থানীয় তথ্যসহ)	গাঁও পঞ্চায়ত	খণ্ড	জিলা	*শ্ৰেণী	মাৰ্কেটৰ প্ৰকাৰ/এলপিজি বিতৰক ৰুৰ্বান/গ্ৰামীণ/দুৰ্গম ক্ষেত্ৰীয় বিতৰক	আমানত জমা (লাখত)	মাৰ্কেটিং প্লেন
১	বিপিচি	আলিয়া খণ্ড-২	আলিয়া	বালিজানা	গোৱালপাৰা	অবিচি (ডব্লিউ)	গ্ৰামীণ	৩.০	২০১৮-১৯
২	আইঅচি	আলগাপুৰ	আলগাপুৰ	আলগাপুৰ	হাইলাকান্দি	অ'পেন (জিপি)	গ্ৰামীণ	৪.০	২০১৮-১৯
৩	আইঅচি	আমবাৰী	আমবাৰী	খৰমুজা	গোৱালপাৰা	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৪	আইঅচি	আনন্দ বাগান	বগীনদী উঁথামাটি	বগীনদী	লখিমপুৰ	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৫	আইঅচি	আটিগাঁও	–	চামেলাংছো	কাৰ্বি আংলং	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
৬	আইঅচি	বাজৰাকাৰ	বৌৱা চাৰিআলি	বৌৱা	ওদালগুৰি	এছচি (ডব্লিউ)	গ্ৰামীণ	২.০	২০১৮-১৯
৭	এইচপিচি	বড়ালডুবা খণ্ড-১	দক্ষিণ নায়ক গাঁও ডিচিডিচি	কোকৰাঝাৰ	কোকৰাঝাৰ	এছচি	গ্ৰামীণ	২.০	২০১৮-১৯
৮	বিপিচি	বৰালি মাৰা	বৰালিমাৰা	বেহালী	বিশ্বনাথ	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
৯	এইচপিচি	বৰবালী চিথা	খৈৰাবাৰী ডিচিডিচি	খৈৰাবাৰী (খণ্ড)	ওদালগুৰি	এছচি (ডব্লিউ)	গ্ৰামীণ	২.০	২০১৮-১৯
১০	আইঅচি	বকলডংগা	বকলডুংগা	গোলকগঞ্জ	ধুবুৰী	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
১১	আইঅচি	বাতাসীপুৰ	বাতাসীপুৰ	ঢেকীয়াজুলি	শোণিতপুৰ	এছচি	গ্ৰামীণ	২.০	২০১৮-১৯
১২	আইঅচি	ভৰিথোৱা	বাহচোলা	পশ্চিম কলিয়াবৰ	নগাঁও	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
১৩	বিপিচি	ভিতৰ কালীবনী (মেবাকেটী)	নিলিপ	নিলিপ	কাৰ্বি আংলং	অবিচি	গ্ৰামীণ	৩.০	২০১৮-১৯
১৪	আইঅচি	বৰচুলি নং-২	বৰচুলি জি পি	পশ্চিম কলিয়াবৰ	নগাঁও	অবিচি	গ্ৰামীণ	৩.০	২০১৮-১৯
১৫	এইচপিচি	বৰকলীয়া ছাৰ্চো	শালকটা	দক্ষিণ শালমাৰা	দশালমাৰা মানকাছাৰ	অবিচি	গ্ৰামীণ	৩.০	২০১৮-১৯
১৬	এইচপিচি	চকলানী পথাৰ	দক্ষিণ পৰ্বতীয়া	উঃ পঃ যোৰহাট	যোৰহাট	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
১৭	আইঅচি	চলং পথাৰ	দয়াং	গামাৰিগুৰি	গোলাঘাট	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
১৮	এইচপিচি	চিকনী	চিকনী	ৰূপসী	বৰপেটা	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
১৯	আইঅচি	চিৰাম চাপৰি	চিৰাম	উজনি মাজুলী	মাজুলী	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
২০	এইচপিচি	মলগাঁও	মলগাঁও	মলগাঁও শিয়ালমাৰী	দৰং	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
২১	বিপিচি	দেৱোত্তৰ হাজডাহা খণ্ড-৫	চেপচেপী	ৰূপসী	ধুবুৰী	অ'পেন (পিএইচ)	গ্ৰামীণ	৪.০	২০১৮-১৯
২২	বিপিচি	ধনশিৰি কাষ	শ্যামটিলা	কলাইগাঁও (খণ্ড)	দৰং	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
২৩	এইচপিচি	ধৰ্মশালা খণ্ড-৫	ধৰ্মশালা	গৌৰীপুৰ	ধুবুৰী	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
২৪	এইচপিচি	ডিচিএল চুলীয়াগাঁও	ৰংপুৰ	গৌৰীসাগৰ	শিৱসাগৰ	এছটি (জিপি)	গ্ৰামীণ	২.০	২০১৮-১৯
২৫	এইচপিচি	দীঘলবড়ি	দীঘলবড়ি	ভুৰবন্ধা	মৰিগাঁও	অবিচি (ডব্লিউ)	গ্ৰামীণ	৩.০	২০১৮-১৯
২৬	এইচপিচি	দীপৰাপুখুৰী	কল্যাণপুৰ	হেলেম	বিশ্বনাথ	অবিচি	গ্ৰামীণ	৩.০	২০১৮-১৯
২৭	বিপিচি	ফুলেৰচৰ খণ্ড-৩	মালিৰআলগা	ফেকামাৰী	দশালমাৰা মানকাছাৰ	অবিচি	গ্ৰামীণ	৩.০	২০১৮-১৯
২৮	বিপিচি	ফুৰহানি আটী	বৰালিমাৰী ফুৰহানিআটী	জুৰীয়া	নগাঁও	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
২৯	আইঅচি	গেৰেকীগ্ৰাণ্ট	৪নং চতিয়া	চতিয়া	শোণিতপুৰ	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৩০	আইঅচি	গেৰাডিটা	গেৰাডিটা	চাপৰ শালকোচা	ধুবুৰী	অবিচি	গ্ৰামীণ	৩.০	২০১৮-১৯
৩১	আইঅচি	গেৰজাই পাম	গেৰজাই পাম	কঠীয়াতলী	নগাঁও	এছচি	গ্ৰামীণ	২.০	২০১৮-১৯
৩২	আইঅচি	গমাৰিগুৰি	অৰুণাচল	গমাৰিগুৰি	গোলাঘাট	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৩৩	বিপিচি	গোসাইচুবি হিন্দুপাৰা	গোসাইচুবি	জলেশ্বৰ	গোৱালপাৰা	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
৩৪	বিপিচি	হাবসুৰি পট্টা নং-৫	হাবসুৰি	কৰুণাবাৰী	লখিমপুৰ	এছচি (ডব্লিউ)	গ্ৰামীণ	২.০	২০১৮-১৯
৩৫	এইচপিচি	হাতীপাৰা	হাতীপাৰা	গৰৈমাৰী	কামৰূপ	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৩৬	আইঅচি	যমুনামুখ	যমুনামুখ	বিন্নাকান্দী	নগাঁও	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৩৭	আইঅচি	লোৰ টকৰি	লুম্বাজাং	লুম্বাজাং	কাৰ্বি আংলং	এছচি	গ্ৰামীণ	২.০	২০১৮-১৯
৩৮	আইঅচি	জুৰিপাৰ	জুৰিপাৰ	কঠীয়াতলী	নগাঁও	অবিচি	গ্ৰামীণ	৩.০	২০১৮-১৯
৩৯	আইঅচি	কচুডোলা খণ্ড-১	উৰুৰি	বইটামাৰী	বঙাইগাঁও	অবিচি	গ্ৰামীণ	৩.০	২০১৮-১৯
৪০	আইঅচি	কচুমাৰা এনচি	কচুমাৰা	চেঙা	বৰপেটা	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
৪১	আইঅচি	কৈলাসপুৰ	কৈলাসপুৰ	কাক পথাৰ	তিনিচুকীয়া	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
৪২	আইঅচি	কাজিগাঁও খণ্ড-১	কাজিগাঁও ডিচিডিচি	দেৱীতোলা (খণ্ড)	কোকৰাঝাৰ	এছচি (ডব্লিউ)	গ্ৰামীণ	২.০	২০১৮-১৯
৪৩	আইঅচি	কলাখোৱা	নাওবৈচা	নাওবৈচা	লখিমপুৰ	অ'পেন (জিপি)	গ্ৰামীণ	৪.০	২০১৮-১৯
৪৪	আইঅচি	কলবাৰী গাঁও	উত্তৰ বালিগাঁও পৰ্বতীয়া	উঃ পঃ যোৰহাট	যোৰহাট	অবিচি (ডব্লিউ)	গ্ৰামীণ	৩.০	২০১৮-১৯
৪৫	এইচপিচি	কলডোবা খণ্ড-১	আগমনি	আগমনি	ধুবুৰী	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৪৬	আইঅচি	কঠালবাৰী	কঠালবাৰী	ফেকামাৰী	দশালমাৰা মানকাছাৰ	অবিচি (ডব্লিউ)	গ্ৰামীণ	৩.০	২০১৮-১৯
৪৭	বিপিচি	কেকুৰি বৰচাপৰি	টেঙনী	দক্ষিণ গোলাঘাট	গোলাঘাট	অবিচি	গ্ৰামীণ	৩.০	২০১৮-১৯
৪৮	বিপিচি	খোলাবান্ধা এনচি	খোলাবান্ধা	গোমাফুলবাৰী	বৰপেটা	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
৪৯	এইচপিচি	খোপাটি খণ্ড-৩	গোটাবাৰী খোপাটী	ফেকামাৰী	দশালমাৰা মানকাছাৰ	এছচি	গ্ৰামীণ	২.০	২০১৮-১৯
৫০	এইচপিচি	কীৰ্তনপাৰা খণ্ড-২	কীৰ্তনপাৰা	সৃজনগ্ৰাম	বঙাইগাঁও	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
৫১	আইঅচি	কুৰিহা	পুব বেহবাৰী	পাকা বেটবাৰী	বৰপেটা	অবিচি	গ্ৰামীণ	৩.০	২০১৮-১৯
৫২	এইচপিচি	লাইলুৰি	লাইলুৰি	লাউখোৱা	নগাঁও	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৫৩	এইচপিচি	লাংহিন বজাৰ	লাংহিন (খণ্ড)	চমেলাংছু	কাৰ্বি আংলং	এছচি	গ্ৰামীণ	২.০	২০১৮-১৯
৫৪	আইঅচি	লেংটিং ৰে'লৱে ষ্টেচন	ডিযুং ভেলী ২	ডিযুংভেলী	ডিমা হাচাও	এছচি	গ্ৰামীণ	২.০	২০১৮-১৯
৫৫	এইচপিচি	লাউডোলা	যোগা	বৰক্ষেত্ৰী	নলবাৰী	অ'পেন (জিপি)	গ্ৰামীণ	৪.০	২০১৮-১৯
৫৬	এইচপিচি	মাথুলি বৰগোলা	বৰডলা ম'হখুলি	কৰুণাবাৰী	লখিমপুৰ	অবিচি (পিএইচ)	গ্ৰামীণ	৩.০	২০১৮-১৯
৫৭	বিপিচি	মাইবং	ওনগুং এমএচি এৰিয়া	ডিটকছেলী উন্নয়ন খণ্ড	ডিমা হাচাও	অবিচি (ডব্লিউ)	গ্ৰামীণ	৩.০	২০১৮-১৯
৫৮	আইঅচি	মইৰাকুছি খণ্ড-১	নাম্বকাটা	দক্ষিণ শালমাৰা	দশালমাৰা মানকাছাৰ	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৫৯	বিপিচি	মৈৰাবাৰী টাউন	মৈৰাবাৰী	মৈৰাবাৰী (খণ্ড)	মৰিগাঁও	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৬০	আইঅচি	মাজুলী টি ই	শান্তিপুৰ	ওদালগুৰি	ওদালগুৰি	এছচি (জিপি)	গ্ৰামীণ	২.০	২০১৮-১৯
৬১	বিপিচি	মানিকপুৰ	মানিকপুৰ	মানিকপুৰ (খণ্ড)	বঙাইগাঁও	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৬২	আইঅচি	মধুবাপুৰ গ্ৰাণ্ট	ঢকাকা	শিৱসাগৰ	শিৱসাগৰ	অ'পেন (চিচি)	গ্ৰামীণ	৪.০	২০১৮-১৯
৬৩	আইঅচি	মাজৰ চুবা	ধনশিৰি	মাজবাট	ওদালগুৰি	এছচি (পিএইচ)	গ্ৰামীণ	২.০	২০১৮-১৯
৬৪	আইঅচি	মিকিৰডেটা	মিকিৰডেটা	ভুৰবন্ধা	মৰিগাঁও	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
৬৫	আইঅচি	মোনাবাৰী	মোনাবাৰী	বাঘমাৰা	শোণিতপুৰ	অবিচি	গ্ৰামীণ	৩.০	২০১৮-১৯
৬৬	আইঅচি	মৰনৈগুৰি	কলাবাৰী	পুব চাৰিদুৱাৰ	শোণিতপুৰ	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
৬৭	আইঅচি	মুকালমুৱা	মুকালমুৱা নাৰায়ণপুৰ	বৰক্ষেত্ৰী	নলবাৰী	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৬৮	আইঅচি	নালীগাঁও	দক্ষিণ পাকা	পাকা বেটবাৰী	বৰপেটা	এছচি	গ্ৰামীণ	২.০	২০১৮-১৯
৬৯	আইঅচি	নিজ জাবাবাৰী	আমটোলা	বহা	নগাঁও	অবিচি	গ্ৰামীণ	৩.০	২০১৮-১৯
৭০	আইঅচি	১ নং বড়া শিমলুগাঁও	দক্ষিণ শিৰো	বৰচলা	শোণিতপুৰ	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৭১	এইচপিচি	১ নং সন্মিলনী	বাঘাচমাৰী	ঢেকীয়াজুলি	শোণিতপুৰ	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৭২	বিপিচি	২ নং বামুণপুখুৰী	বামুণপুখুৰী	ঢেকীয়াজুলি	শোণিতপুৰ	অবিচি (ডব্লিউ)	গ্ৰামীণ	৩.০	২০১৮-১৯
৭৩	বিপিচি	নৈনেপাৰা টি ই	নৈনেখুটি ডিচিডিচি	ভেৰ্গাও	ওদালগুৰি	এছচি	গ্ৰামীণ	২.০	২০১৮-১৯
৭৪	বিপিচি	পশ্চিম চমৰালী	চমৰালী	বিন্নাখান্দি	হোজাই	অবিচি (জিপি)	গ্ৰামীণ	৩.০	২০১৮-১৯
৭৫	আইঅচি	পাথৰিয়া	পাথৰিয়া	মানকাচৰ	দশালমাৰা মানকাছাৰ	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
৭৬	বিপিচি	পাটিলাদহা	পাটিলাদহা	মানিকপুৰ (খণ্ড)	বঙাইগাঁও	অ'পেন (জিপি)	গ্ৰামীণ	৪.০	২০১৮-১৯
৭৭	বিপিচি	পিপলবাৰী খণ্ড-১	ক'লাপানী	মানকাচৰ	দশালমাৰা মানকাছাৰ	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৭৮	আইঅচি	পুব বান্ধৰমেলা	চাৰিং পথাৰ	বিন্নাখান্দি	নগাঁও	অবিচি (ডব্লিউ)	গ্ৰামীণ	৩.০	২০১৮-১৯
৭৯	আইঅচি	ৰাজমাই গ্ৰাণ্ট	আঠাবাৰী	ডিমৌ	শিৱসাগৰ	অবিচি (জিপি)	গ্ৰামীণ	৩.০	২০১৮-১৯
৮০	আইঅচি	ৰাখালডুবি	বৌমাৰী	খৰমুজা	গোৱালপাৰা	অবিচি (ডব্লিউ)	গ্ৰামীণ	৩.০	২০১৮-১৯
৮১	বিপিচি	ৰবিগাঁও	তামুলীচিগা গাঁও	কলিয়াপানী	যোৰহাট	এছচি	গ্ৰামীণ	২.০	২০১৮-১৯
৮২	আইঅচি	বৌৱা গাঁও	বৌৱা	মাজবাট	ওদালগুৰি	এছচি	গ্ৰামীণ	২.০	২০১৮-১৯
৮৩	বিপিচি	কপহী টাউন	কপহী	কপহী	নগাঁও	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৮৪	এইচপিচি	চাবাজপুৰ	মোবাকাৰ	বিন্নাখান্দি	হোজাই	অবিচি	গ্ৰামীণ	৩.০	২০১৮-১৯
৮৫	বিপিচি	শিৱপুৰ ডিচিডিচি	মোহনপুৰ	বৌৱা	ওদালগুৰি	এছচি (ডব্লিউ)	গ্ৰামীণ	২.০	২০১৮-১৯
৮৬	আইঅচি	চিকাৰীপথাৰ	নমাটি (খণ্ড)	হাওৰাঘাট	কাৰ্বি আংলং	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৮৭	আইঅচি	চিমলাবাৰী	৫৯ নং নায়াবস্তি	ধমধমা	বাক্সা	এছচি (ডব্লিউ)	গ্ৰামীণ	২.০	২০১৮-১৯
৮৮	আইঅচি	চিমলাবাৰী	চিমলাবাৰী	জলেশ্বৰ	গোৱালপাৰা	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
৮৯	এইচপিচি	শিমলীতোলা	শিমলীতোলা	ৰাংজুলি	গোৱালপাৰা	অ'পেন (ডব্লিউ)	গ্ৰামীণ	৪.০	২০১৮-১৯
৯০	আইঅচি	তাৰাপুৰ	কালাইন	কালাইন	কাছাৰ	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৯১	এইচপিচি	থান বিহালী	টেলেংগনীয়া	বিশ্বনাথ	বিশ্বনাথ	অ'পেন	গ্ৰামীণ	৪.০	২০১৮-১৯
৯২	এইচপিচি	টুপামাৰী	টুপামাৰী	চমৰীয়া	কামৰূপ	অবিচি (ডব্লিউ)	গ্ৰামীণ	৩.০	২০১৮-১৯
৯৩	বিপিচি	উত্তৰ খাটোৱাল	উত্তৰ খাটোৱাল	কপহী	নগাঁও	এছচি	গ্ৰামীণ	২.০	২০১৮-১৯

* তলত দিয়াধৰণেৰে নামৰ সংজ্ঞা নিৰ্ধাৰণ হ'ব—

অ'পেন - মুক্ত শ্ৰেণী। এছচি/এছটি - অনুসূচিত জাতি/অনুসূচিত জনজাতি শ্ৰেণী। অবিচি - অন্যান্য পিছপৰা শ্ৰেণী। এছচি/এছটি (জিপি) - এছ চি/এছ টি শ্ৰেণীৰ অন্তৰ্গত সামৰিক কৰ্মচাৰী, কেন্দ্ৰীয়/ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু কেন্দ্ৰীয়/ৰাজ্যিক ৰাজহুৱা খণ্ডৰ অধীনৰ কৰ্মচাৰীসকল চৰকাৰী কৰ্মচাৰী শ্ৰেণীৰ অন্তৰ্গত হ'ব। অবিচি (জিপি) - অবিচি শ্ৰেণীৰ অন্তৰ্গত সামৰিক কৰ্মচাৰী, কেন্দ্ৰীয়/ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰী আৰু কেন্দ্ৰীয়/ৰাজ্যিক ৰাজহুৱা খণ্ডৰ কৰ্মচাৰীসকল চৰকাৰী কৰ্মচাৰী শ্ৰেণীৰ অন্তৰ্গত হ'ব। অ'পেন (জিপি) - মুক্ত শ্ৰেণীৰ অন্তৰ্গত সামৰিক কৰ্মচাৰী, কেন্দ্ৰীয়/ৰাজ্যিক কৰ্মচাৰী আৰু কেন্দ্ৰীয়/ৰাজ্যিক ৰাজহুৱা খণ্ডৰ অধীনস্থ কৰ্মচাৰীসকল চৰকাৰী কৰ্মচাৰী শ্ৰেণীৰ অন্তৰ্গত হ'ব। এছ চি/এছটি (পিএইচ) - অনুসূচিত জাতি/অনুসূচিত জনজাতি শ্ৰেণী অন্তৰ্গত বিশেষভাৱে সক্ষম (দিব্যাংগ) লোকসকল বিশেষভাৱে সক্ষম শ্ৰেণীৰ অন্তৰ্গত হ'ব। অবিচি (পিএইচ)- অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্গত বিশেষভাৱে সক্ষম (দিব্যাংগ) লোকসকল বিশেষভাৱে সক্ষম শ্ৰেণীৰ অন্তৰ্গত হ'ব। অ'পেন (পিএইচ) - মুক্ত শ্ৰেণীৰ অন্তৰ্গত বিশেষভাৱে সক্ষম (দিব্যাংগ) লোকসকল বিশেষভাৱে সক্ষম শ্ৰেণীৰ অন্তৰ্গত হ'ব। অ'পেন (চিচি) - মুক্ত শ্ৰেণীৰ অন্তৰ্গত অতুলনীয় পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ক্ৰীড়াবিদ (অ'এছপি) আৰু মুক্তিযুঁজাৰুসকল কম্বাইণ্ড কেটেগৰীৰ অন্তৰ্গত হ'ব। এছ/এছটি (ডব্লিউ) - অনুসূচিত জাতি/অনুসূচিত জনজাতি শ্ৰেণীৰ অন্তৰ্গত মহিলাসকল অমেন শ্ৰেণীৰ অন্তৰ্গত হ'ব। অবিচি (ডব্লিউ)- অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্গত মহিলাসকল অমেন শ্ৰেণীৰ অন্তৰ্গত হ'ব। অ'পেন (ডব্লিউ) - মুক্ত শ্ৰেণীৰ অন্তৰ্গত মহিলাসকল অমেন শ্ৰেণীৰ অন্তৰ্গত হ'ব।

১। এলপিজি বিতৰক নিৰ্বাচন কৰাৰ বাবে অৰ্হতাৰ মাপকাঠি, এলপিজি গুদামৰ বাবে মাটিৰ ক্ষেত্ৰত প্ৰয়োজনীয় আৱশ্যকীয়তা, শ্ব'ৰুম/বেটি বিল্ট শ্ব'ৰুমৰ বাবে মাটি, চিলিণ্ডাৰৰ হোম ডেলিভাৰিৰ বাবে আৱশ্যকীয়তা ইত্যাদিৰ লগতে নিৰ্বাচন প্ৰক্ৰিয়াৰ বিশদ সন্দৰ্ভত বিশদ নীতি-নিৰ্দেশনা এলপিজি বিতৰক নিৰ্বাচনৰ পুস্তিকাত প্ৰদান কৰা হৈছে, যিসমূহ আইঅচিএল, বিপিচিএল আৰু এইচপিচিএলকে ধৰি তেল কোম্পানীসমূহৰ ৱেবছাইট — www.iocl.com, www.ebharatgas.com, www.bharatpetroleum.in, www.hindustanpetroleum.com ৰ পৰা ডাউনলোড কৰিব পাৰিব। পুস্তিকাখন : www.lpgvitarakchayan.in ৱেবছাইটৰ পৰাও ডাউনলোড কৰিব পাৰিব।

২। অৰ্হতাৰ মাপকাঠি পূৰণ কৰা আৰু চেহেৰি বিতৰক, ৰুৰ্বান বিতৰক, গ্ৰামীণ বিতৰক অথবা দুৰ্গম ক্ষেত্ৰীয় বিতৰক (প্ৰযোজ্য হোৱা অনুসাৰে) হিচাপে নিৰ্বাচনৰ বাবে আবেদন জনাব বিচৰা আগ্ৰহী ব্যক্তিসকলে www.lpgvitarakchayan.in ৱেবছাইটত লগ অন কৰিব আৰু ৱেবছাইটত নিজকে পঞ্জীয়ন কৰাব লাগিব। পঞ্জীয়ন হৈ যোৱাৰ পাছত, তেওঁলোকে লগ ইন কৰি, সৰ্বতোপ্ৰকাৰে প্ৰয়োজনীয় বিশদসমূহ পূৰণ কৰি (২৫/০৬/২০১৮)ৰ ১৭:০০ বজাৰ ভিতৰত অনলাইন আবেদন পত্ৰ দাখিল কৰিব লাগিব। আবেদনপত্ৰৰ প্ৰপত্ৰ দাখিল কৰাৰ আগতে, প্ৰাৰ্থীসকলে পৃথক পৃথক ফাইলত তেওঁলোকৰ পাছপ'ৰ্ট আকাৰৰ ফটোগ্ৰাফৰ কপি আৰু তেওঁলোকৰ স্বাক্ষৰ আপলোড কৰিব লাগিব, আৰু লগতে www.lpgvitarakchayan.in ৱেবছাইটত উপলব্ধ ইণ্টাৰনেট বেংকিং/ডেবিট কাৰ্ড/ক্ৰেডিট কাৰ্ডৰ জৰিয়তে প্ৰযোজ্য, ঘূৰাই নোপোৱা আবেদনপত্ৰৰ মাচুল জমা কৰিব লাগিব। চেহেৰি বিতৰক, ৰুৰ্বান বিতৰক, গ্ৰামীণ বিতৰক আৰু দুৰ্গম ক্ষেত্ৰীয় বিতৰকৰ ক্ষেত্ৰত প্ৰযোজ্য ঘূৰাই নোপোৱা আবেদনপত্ৰৰ মাচুল সমূহ তলৰ তালিকা ১আৰু তালিকা ২ ত দিয়া হৈছে :

তালিকা ১ - চেহেৰি বিতৰক আৰু ৰুৰ্বান বিতৰক অৱস্থানসমূহৰ বাবে ঘূৰাই নিদিয়াৰ যোগ্য আবেদনপত্ৰৰ মাচুল

শ্ৰেণী	ঘূৰাই নিদিয়াৰ যোগ্য আবেদনপত্ৰৰ মাচুল
অ'পেন	১০,০০০ টকা (দহ হাজাৰ টকা মাত্ৰ)**
অবিচি	৫,০০০ টকা (পাঁচ হাজাৰ টকা মাত্ৰ)
এছ চি/এছটি	৩,০০০ টকা (তিনি হাজাৰ টকা মাত্ৰ)

** বিজ্ঞাপন/জাননীত উল্লেখ কৰা চেহেৰি বিতৰক আৰু ৰুৰ্বান বিতৰক অৱস্থান সমূহৰ অধীনত অ'পেন শ্ৰেণীত আবেদন জনোৱা এছচি/এছটি প্ৰাৰ্থীসকলে ঘূৰাই নিদিয়াৰ যোগ্য আবেদনপত্ৰৰ মাচুল ৩,০০০ টকা (তিনি হাজাৰ টকা মাত্ৰ) দাখিল কৰিব পাৰিব। তেওঁলোকে প্ৰযোজনীয় এছ চি/এছ টি প্ৰমাণপত্ৰৰ আবেদনপত্ৰৰ নম্বৰ আৰু প্ৰমাণপত্ৰৰ নম্বৰ যোগান ধৰিব লাগিব, পাছত যাৰ সত্যতা পৰীক্ষা কৰা হ'ব। কোনো ক্ষেত্ৰত যদিহে পাছত দেখা পায় যে প্ৰদান কৰা বিশদ তথ্যসমূহ ভাৰত চৰকাৰৰ হাতত থকা অনলাইন অভিলেখৰ তথ্য-পাতিৰ সৈতে মিলা নাই, তেনেহ'লে আবেদনপত্ৰ বাতিল কৰাৰ যোগ্য হ'ব। অবিচি শ্ৰেণীৰ হোৱা সত্ত্বেও "অ'পেন" শ্ৰেণীৰ স্থানসমূহৰ বাবে আবেদন জনোৱা প্ৰাৰ্থীসকলে "অ'পেন" শ্ৰেণীৰ প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য আবেদনপত্ৰৰ মাচুল জমা দিব লাগিব।

তালিকা ২ - গ্ৰামীণ বিতৰক স্থান আৰু দুৰ্গম ক্ষেত্ৰীয় বিতৰক স্থান সমূহৰ বাবে ঘূৰাই নিদিয়াৰ যোগ্য আবেদনপত্ৰৰ মাচুল

শ্ৰেণী	ঘূৰাই নিদিয়াৰ যোগ্য আবেদনপত্ৰৰ মাচুল
অ'পেন	৮,০০০ টকা (আঠ হাজাৰ টকা মাত্ৰ)**
অবিচি	৪,০০০ টকা (চাৰি হাজাৰ টকা মাত্ৰ)
এছ চি/এছটি	২,৫০০ টকা (দুই হাজাৰ পাঁচশ টকা মাত্ৰ)

** গ্ৰামীণ বিতৰক আৰু দুৰ্গম ক্ষেত্ৰীয় বিতৰক স্থানসমূহৰ অ'পেন শ্ৰেণীৰ বাবে আবেদন জনোৱা এছচি/এছটি প্ৰাৰ্থীসকলে ২,৫০০ টকা (দুহেজাৰ পাঁচশ টকা মাত্ৰ) ৰ ঘূৰাই নিদিয়াৰ যোগ্য আবেদনপত্ৰৰ মাচুল দাখিল কৰিব পাৰিব। অৱশ্যে, অবিচি কেটাগৰিৰ হোৱা সত্ত্বেও "অ'পেন" শ্ৰেণীৰ স্থান সমূহৰ বাবে আবেদন জনোৱা প্ৰাৰ্থীসকলে "অ'পেন" প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য আবেদনপত্ৰৰ মাচুল জমা দিব লাগিব।

৩। অধিক বিশদ তথ্যৰ বাবে প্ৰাৰ্থীসকলক পুস্তিকা চাবলৈ অনুৰোধ জনোৱা হৈছে। আবেদনপত্ৰৰ প্ৰপত্ৰ পূৰণ কৰাৰ ক্ষেত্ৰত প্ৰাৰ্থীসকলক আবেদনপত্ৰৰ প্ৰপত্ৰ পূৰণ কৰাৰ আগতে www.lpgvitarakchayan.in পৰ্টেলত সহজেই উপলব্ধ "আবেদনকাৰীৰ বাবে ইউজাৰ মেনুৱেল—LPG VITARAK, CHAYAN" সাৱধানতা সহকাৰে পঢ়ি চাবলৈ অনুৰোধ জনোৱা হৈছে।

৪। অনলাইন আবেদনপত্ৰ দাখিল কৰাৰ পাছত, যদিহে অনুৰোধ জনোৱা নহয়, তেনেহ'লে আবেদনকাৰীসকলে ফিজিকেল ৰূপত কোনো নথি-পত্ৰ অথবা আবেদনপত্ৰৰ প্ৰ-পত্ৰ দাখিল কৰিব নালাগে। পাছলৈ, যদিহে প্ৰাৰ্থীজন ড্ৰ অৱ লটছত নিৰ্বাচিত হয়, নিৰ্বাচিত প্ৰাৰ্থীজনে সত্যতা নিৰূপণৰ সময়ত প্ৰযোজ্য হোৱা ধৰণেৰে নিৰ্ধাৰিত অৰ্হতাৰ প্ৰমাণপত্ৰ (সমূহ) প্ৰদৰ্শন কৰিব লাগিব। প্ৰতিৰক্ষা বাহিনীৰ লোকৰ শাখাৰ অধীনত আবেদন জনোৱা আবেদনকাৰীসকলে অৰ্হতাৰ নথিসমূহৰ ফিল্ড ভেৰিফিকেচনৰ সময়ত ডিৰেক্টৰেট জেনেৰেল ৰিচেটলমেণ্ট (ডিজিআৰ)ৰ মূল অৰ্হতাৰ প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব। বিশদ তথ্যৰ বাবে অনুগ্ৰহ কৰি পুস্তিকা চাওক।

৫। সামূহিক

(ক) ইণ্ডিয়ান অইল কৰ্পৰেচন লিমিটেড, ভাৰত পেট্ৰ'লিয়াম কৰ্পৰেচন লিমিটেড, অথবা হিন্দুস্থান পেট্ৰ'লিয়াম কৰ্পৰেচন লিমিটেডে কোনো ধৰণৰ কাৰণ দৰ্শোৱাকৈ ইয়াৰ নিজা বিবেচনাৰে এই বিজ্ঞাপন বাতিল/প্ৰত্যাহাৰ/সংশোধন কৰাৰ অধিকাৰ অথবা আবেদনপত্ৰৰ প্ৰপত্ৰ দাখিল কৰাৰ নিৰ্ধাৰিত তাৰিখ বৃদ্ধি কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখিছে।

(খ) একোটা স্থানৰ বাবে এজন আবেদনকাৰীয়ে কেৱল এখন আবেদনপত্ৰ দাখিল কৰা উচিত। কোনো ক্ষেত্ৰত একোটা স্থানৰ বাবে এজন ব্যক্তিয়ে এখনতকৈ অধিক আবেদনপত্ৰ দাখিল কৰিলে, সকলো আবেদনপত্ৰ একগোট কৰা হ'ব আৰু কম্পিউটাৰৰ জৰিয়তে ড্ৰ অনুষ্ঠিত কৰাৰ সময়ত সকলোবোৰ সাঙুৰি একেখন আবেদনপত্ৰ হিচাপে গণ্য কৰা হ'ব। এনেক্ষেত্ৰত, অন্যান্য আবেদনপত্ৰ সমূহৰ বিপৰীতে প্ৰাপ্ত আবেদনপত্ৰৰ মাচুল বাজেয়াপ্ত কৰা হ'ব।

(গ) অৱশ্যে আবেদনকাৰীয়ে বিভিন্ন স্থানৰ বাবে আবেদন জনাব পাৰে। প্ৰত্যেক স্থানৰ বাবে পৃথকে পৃথকে অনলাইন আবেদনপত্ৰৰ প্ৰপত্ৰ দাখিলৰ দ্বাৰা আবেদন জনোৱা উচিত, লগতে প্ৰত্যেক ক্ষেত্ৰতে ঘূৰাই নিদিয়াৰ যোগ্য আবেদনপত্ৰৰ মাচুল প্ৰযোজ্য হ'ব।

(ঘ) যদিহে প্ৰাৰ্থীগৰাকীয়ে আবেদনপত্ৰ প্ৰদান কৰা কোনো বিবৃতি/ঘোষণা অথবা আবেদনপত্ৰৰ সৈতে সংলগ্ন কৰি দাখিল কৰা যিকোনো নথি-পত্ৰ, যিকোনো পৰ্যায়তে গোপন কৰা/ভুল ধাৰণা দিয়া/অৰ্হতাৰ প্ৰত্যাৰ পেলোৱা পৰাকৈ অশুদ্ধ অথবা মিছা প্ৰমাণিত হয়, তেনেহ'লে কোনো কাৰণ দৰ্শোৱাকৈ আবেদনপত্ৰ বাতিল কৰাৰ যোগ্য হ'ব আৰু কোনো ক্ষেত্ৰত আবেদনকাৰীগৰাকী যদিহে এগৰাকী এলপিজি বিতৰক হিচাপে নিযুক্ত হৈ আছে, তেনেহ'লে তেওঁৰ বিতৰকৰ দায়িত্ব অৱসান ঘটোৱা হ'ব আৰু সংশ্লিষ্ট তেল বিপণন কোম্পানীক আদায় দিয়া ঘূৰাই নিদিয়াৰ যোগ্য আবেদনপত্ৰৰ মাচুল /আমানতৰ ধন বাজেয়াপ্ত কৰা হ'ব। এনে ক্ষেত্ৰত নিৰ্দিষ্ট তেল বিপণনকাৰী কোম্পানীৰ ওচৰত প্ৰাৰ্থী/বিতৰকগৰাকীৰ কোনো দাবী নৰখিব।

(ঙ) এই বিজ্ঞাপন/জাননী কেৱল সম্ভাব্য আবেদনকাৰীৰ পৰা আবেদনপত্ৰ বিচৰাৰ বাবেহে আৰু ই এলপিজি বিতৰকৰ দায়িত্ব প্ৰদানৰ প্ৰস্তাৱ নহয়।

(চ) সকলোবোৰ যোগাযোগ ইমেইলৰ জৰিয়তে www.lpgvitarakchayan.in পৰ্টেলৰ দ্বাৰা আৰু /অথবা প্ৰাৰ্থীৰ পঞ্জীকৃত ইমেইল আই ডি অথবা পঞ্জীকৃত ফোন নম্বৰলৈ এছএমএছৰ জৰিয়তে কৰা হ'ব।

(ছ) ই সম্পূৰ্ণৰূপে এক বাণিজ্যিক প্ৰস্তাৱ আৰু নিৰ্দিষ্ট তেল কোম্পানীত চাকৰিৰ বাবে আবেদনপত্ৰ নহয় আৰু ইয়াৰ তাৎকালিক বাণিজ্যিক আশংকা আছে আৰু লগতে ই কোনো মুনাফা বা লাভৰ নিশ্চিতি নিদিয়ে।

(জ) অনুবাদ ভাষাৰ বিপৰীতে ইংৰাজীত প্ৰকাশিত বিজ্ঞাপনত যদিহে কোনো বৈসাদৃশ্য ধৰা পৰে, তেন্তে ইংৰাজী সংস্কৰণত নিৰ্দিষ্ট কৰা নিৰ্দেশনা/তথ্যহে প্ৰযোজ্য হ'ব।

(ঝ) www.lpgvitarakchayan.in ৱেবছাইটত প্ৰকাশ পোৱা বিশদ বিবৰণৰ ক্ষেত্ৰত কোনো বিসংগতি থাকিলে, বিপৰীতে একেবেৰে এই বিজ্ঞাপন/জাননীৰ ক্ষেত্ৰতো, বিজ্ঞাপন /জাননীত প্ৰকাশিত বিশদ তথ্যহে প্ৰযোজ্য হ'ব।

(ঞ) সংশ্লিষ্ট তেল কোম্পানীৰ বেংক একাউণ্টলৈ চেকৰ/নগদ অথবা জমা দিনিয়া যিকোনো পৰিমাণৰ ধন আবেদনকাৰীৰ বেংক একাউণ্ট/ডেবিট কাৰ্ড একাউণ্ট/ক্ৰেডিট কাৰ্ড একাউণ্টৰ পৰা কৰ্তন কৰিলে তাৰ বাবে ইণ্ডিয়ান অইল কৰ্পৰেচন লিমিটেড, ভাৰত পেট্ৰ'লিয়াম কৰ্পৰেচন লিমিটেড, অথবা হিন্দুস্থান পেট্ৰ'লিয়াম কৰ্পৰেচন লিমিটেড জগৰীয়া নহ'ব।

(ট) আবেদনকাৰীৰ দ্বাৰা, একোখন আবেদনপত্ৰৰ বাবে, তেওঁৰ বেংক একাউণ্ট/ডেবিট কাৰ্ড একাউণ্ট/ক্ৰেডিট কাৰ্ড একাউণ্টৰ পৰা অনলাইন যোগে আদায় দিয়া যিকোনো অতিৰিক্ত পৰিমাণৰ ধনৰাশি ঘূৰাই দিয়াৰ বাবে ইণ্ডিয়ান অইল কৰ্পৰেচন লিমিটেড, ভাৰত পেট্ৰ'লিয়াম কৰ্পৰেচন লিমিটেড, অথবা হিন্দুস্থান পেট্ৰ'লিয়াম কৰ্পৰেচন লিমিটেড দায়বদ্ধ নহ'ব।

Scanned by CamScanner